# Telephone Conversation between PM and President of Egypt

April 17, 2020

---

## প্ৰধানমন্ত্ৰী আৰু ইজিপ্তৰ ৰাষ্ট্ৰপতিৰ মাজত টেলিফোন যোগে বাৰ্তালাপ

এপ্ৰিল 17, 2020

প্ৰধানমন্ত্ৰী শ্ৰী নৰেন্দ্ৰ মোডীয়ে আজি ইজিপ্তৰ ৰাষ্ট্ৰপতি মহামহিম শ্ৰী অব্দেল ফত্তাহ এল–ছিছিৰ সৈতে ফোনত বাৰ্তালাপ কৰে।

দুয়োগৰাকী নেতাই কভিড–19 মহামাৰীৰ ফলত উদ্ভৱ হোৱা বৈশ্বিক পৰিস্থিতিৰ বিষয়ে আলোচনা কৰে আৰু লগতে দুয়োখন দেশৰ চৰকাৰে দেশ দুখনৰ জনসাধাৰণৰ সুৰক্ষাৰ কাৰণে পৰস্পৰে গ্ৰহণ কৰা পদক্ষেপসমূহ বিষয়েও মত বিনিময় কৰে। দুয়োখন দেশে ইয়াৰ সৈতে মোকাবিলা কৰাৰ সময়ত যি অভিজ্ঞতা লাভ কৰিছে তাক আদান প্ৰদান কৰাৰ কাৰণে সহমত পোষণ কৰে।

প্ৰধানমন্ত্ৰীয়ে এই সংকটৰ সময়ত ভাৰতে অত্যাৱশ্যকীয় ঔষধপাতি যোগান সুনিশ্চিত কৰাকে আদি কৰি ইজিপ্তক সকলো ধৰণৰ সহায়ৰ আশ্বাস দিয়ে। তেখেতে লগতে ইজিপ্তত থকা ভাৰতীয় নাগৰিকসকৰ প্ৰতি আগবঢ়োৱা সহায়ৰ বাবে ৰাষ্ট্ৰপতি এল–ছিছিক ধন্যবাদ জ্ঞাপন কৰে।

দুয়োখন দেশৰ বিষয়াসকলে  কভিড–19ৰ সন্দৰ্ভত সহযোগিতা আৰু অভিজ্ঞতা বিনিময়ৰ ক্ষেত্ৰত পৰস্পৰে যোগাযোগ ৰক্ষা কৰি যাব বুলি দুয়োগৰাকী নেতাই সহমত পোষণ কৰে।

**নতুন দিল্লী**
**এপ্ৰিল 17, 2020**

DISCLAIMER: This is an approximate translation. The original is available in English on MEA’s website and may be referred to as the official press release.